# জামিৰা গাঁৱত প্ৰচলিত লোকগীতসমূহৰ এটি সমীক্ষা

অসমীয়া সন্মান বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ DSE-4 (B) পাঠ্যক্ৰম অনুসৰি যুগুত কৰা প্ৰকল্পৰ প্ৰতিবেদন


প্ৰস্তুতকৰ্তা:

বিনিতা কছাৰী

অসমীয়া বিভাগ

ৰোল নং : 30410017

ৰেজিষ্ট্ৰেশন নং : S2131880

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী

# <u>প্ৰমাণ পত্ৰ</u>

**শ্ৰীমতী বিনিতা কছাৰী**, ৰোল নং- **30410017** স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE- 4 (B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে " **জামিৰা গাঁৱত সোনোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীতসমূহৰ** " বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

টিকুমণি চুটীয়া 20/5/2024

**তত্ত্বাৱধায়ক**
**অসমীয়া বিভাগ**
**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী**
**শিৱসাগৰ, অসম।**

অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী,
জিলা:- শিৱসাগৰ, অসম
পিন-৭৮৫৬৭১

# প্ৰমাণ পত্ৰ

**শ্ৰীমতী বিনিতা কছাৰী**, ৰোল নং- 30410017 স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী। তেওঁ পিকুমণি চুতীয়াৰ তত্ত্বাৱধানত অসমীয়া সন্মান বিষয়ৰ DSE-4 (B) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে " **জামিৰা গাঁৱত সোনোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীতসমূহৰ**" বিষয়ত অধ্যয়ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে ।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

২০/০৫/২০২৪

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰী,
শিৱসাগৰ, অসম।

Head of Deptt. Assamese
H.C.D.G. College
Nitaipukhuri, Sivasagar

# কৃতজ্ঞতা জ্ঞাপন

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ DSE-4 (B) কাকতৰ বাবে এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে। শিৱসাগৰ জিলাৰ "জামিৰা গাঁৱৰ সোনোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীত " শীৰ্ষক প্ৰতিবেদনখন পিকুমণি চুতীয়া বাইদেউৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা হৈছে। বিষয়বস্তু নিৰ্বাচনকে ধৰি বিভিন্ন দিশত তেওঁ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও তত্ত্বাৱধায়কৰ গুৰু দায়িত্ব বহন কৰিছে। তেওঁক অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে অসমীয়া বিভাগৰ শিক্ষাগুৰু বিভাগীয় প্ৰধান নিভা দাস, প্ৰমুখ্যে অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক দিগন্ত গগৈ ছাৰ, মৃদুস্মিতা দত্ত আৰু শিল্পীশিখা গগৈলৈ অশেষ ধন্যবাদ জনালোঁ।

প্ৰকল্প প্ৰতিবেদনখন প্ৰস্তুত কৰোঁতে বিভিন্ন তথ্য আহৰণত সহায়-সহযোগিতা আগবঢ়োৱা জামিৰা গাঁৱৰ বয়োজেষ্ঠ ব্যক্তিসকললৈ অশেষ ধন্যবাদ জনাইছোঁ। এই প্ৰতিবেদনখন প্ৰস্তুত কৰোঁতে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰোঁতে সহায়-সহযোগিতা আগবঢ়োৱা ইছা সোনোৱাল আৰু ডি.টি.পি- বিশ্বজিৎ ডেকাবৰুৱালৈ কৃতজ্ঞতা জনালোঁ।

বিনিতা কছাৰী

**বিনিতা কছাৰী**
**প্ৰতিবেদন প্ৰস্তুতকৰ্তা**

## ০.০ অৱতৰণিকা

সোনোৱাল কছাৰীসকল অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ। এওঁলোক অসমত বাসকৰা নৃ-গোষ্ঠীসকলৰ ভিতৰত তৃতীয় বৃহৎ জনগোষ্ঠী।

১/ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত "**কছাৰী বুৰঞ্জী**"ত শদিয়া অঞ্চলত কছাৰীসকলে এখন ৰাজ্য পাতি প্ৰৱল প্ৰতাপেৰে ৰাজত্ব কৰিছিল আৰু এই ৰাজ্যৰ সীমা–পূবে শদিয়া, পশ্চিমে দিখৌমুখ আৰু দক্ষিণে দিলিহিৰ কেন্দুগুৰিলৈকে বিয়পি আছিল বুলি উল্লেখ আছে।

২/ অন্যহাতে সূৰ্য্যকুমাৰ ভূঞাৰে সম্পাদিত "**দেউধাই অসম বুৰঞ্জী**" তো কছাৰী ৰজাই পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙৰ দক্ষিণপাৰ আৰু দক্ষিণে দিলিহিৰ কেন্দুগুৰি পৰ্যন্ত ৰাজত্ব কৰি বসবাস কৰি আছিল বুলি উল্লেখ আছে।

৩/ সোনোৱাল কছাৰীসকলে আদি বাসস্থান চীন দেশৰপৰা গিৰিপিথ, নদীপথ আদি বিভিন্ন অসমলৈ প্ৰব্ৰজন কৰিছিল। "**দেওধাই অসম বুৰঞ্জী**" **ত** উল্লেখ কৰা মতে ৮০০ খ্ৰীষ্টাব্দৰপৰা ১২০০ খ্ৰীষ্টাব্দলৈকে কছাৰীসকলে শদিয়াৰ দিহিং আৰু দিংব নৈৰ মাজৰ ভূখণ্ড ৰাজ্য প্ৰতিষ্ঠা কৰিছিল।

বৰ্তমান অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, যোৰহাট, গোলাঘাট জিলাত বসবাস কৰা সোনোৱাল কছাৰীসকল সাংস্কৃতিক দিশত এটা চহকী জনগোষ্ঠী। বিভিন্নধৰণৰ গীত–মাত, লোক কথা, পূজা–পাৰ্বণ, নিয়ম–কানুনেৰে সোনোৱাল কছাৰীসকলৰ লোক- সংস্কৃতি সমৃদ্ধ ।

---

১/ নন্দেশ্বৰ কছাৰী "সোনোৱাল কছাৰী সমাজ –সংস্কৃতি আৰু ভাষাৰ পৰিচয় " পৃ ১১৯

২/ সূৰ্যকুমাৰ ভূঞা (সম্পা.) কছাৰী বুৰঞ্জী পৃ. ১৮

৩/ সূৰ্যকুমাৰ ভূঞা (সম্পা.), দেওধাই অসম বুৰঞ্জী পৃ. ১২৯

Head ... M.K.D. College ... Nagar, Sivasagar

**০.১ বিষয়ৰ পৰিচয়:**

সোনোৱাল কছাৰীসকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ ভিতৰত লোকসাহিত্য বিশেষভাৱে উল্লেখযোগ্য । এই অধ্যয়নত সোনোৱাল কছাৰীসকলৰ লোক- সাহিত্যৰ অন্তৰ্গত লোকগীতসমূহৰ এটি চমু আভাস শিৱসাগৰ জিলাৰ পানীদিহিং মৌজাৰ অন্তৰ্গত জামিৰা গাঁৱত প্ৰচলিত লোকগীতসমূহক বিশেষ উল্লিখন কৰি এটি আলোচনা যুগুত কৰা হৈছে।

**0.2 অধ্যয়নৰ উদ্দেশ্যঃ**

জামিৰা গাঁৱত প্ৰচলিত লোকগীতসমূহৰ শীৰ্ষক অধ্যয়নৰ জৰিয়তে সোনোৱাল কছাৰীসকলৰ অধ্যুষিত শিৱসাগৰ জিলাৰ জামিৰা গাঁৱত প্ৰচলিত লোক সাহিত্যৰ পৰ্যালোচনা আগবঢ়োৱা হৈছে। প্ৰকৃততে সোনোৱাল কছাৰীসকলৰ সংস্কৃতি পূৰ্ণাংগ অধ্যয়নৰ লগত অঞ্চলভিত্তিক ক্ষেত্ৰ অধ্যয়নৰ নিত্যান্তই প্ৰয়োজন । এনে অধ্যয়নে সোনোৱাল কছাৰীসকলৰ সংস্কৃতিৰ পূৰ্ণাংগ অধ্যয়নত সহায় কৰিব পাৰিব বুলি আশা কৰিব পাৰি । লগতে বিদ্যায়তনিক ক্ষেত্ৰতো গৱেষক ছাত্ৰ- ছাত্ৰীসকলৰ বাবে এনে অধ্যয়নৰ প্ৰয়োজন আছে।

**০.৩ বিষয়ৰ পৰিসৰ :**

বিষয়ক অধ্যয়নে শিৱসাগৰ জিলাৰ পানীদিহিং অঞ্চলৰ জামিৰা গাঁৱৰ সোনোৱাল কছাৰীসকলৰ লোক- গীতসমূহক সামৰি লৈছে।

H.C.D.G. College
Nitaipukhuri, Sivasagar

**০.৪ অধ্যয়নৰ পদ্ধতিঃ**

বৰ্ণনাত্মক পদ্ধতিৰে এই আলোচনা আগবঢ়োৱা হৈছে। তথ্য সংগ্ৰহৰ মুখ্য উৎস হৈছে ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু গৌন উৎস হৈছে ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু গ্ৰন্থ অধ্যয়নৰ পৰা লাভ কৰা তথ্যসমূহ বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হৈছে।

**০.৫ পূৰ্বকৃত অধ্যয়নঃ**

সোনোৱাল কছাৰীসকলৰ স্বকীয় ক'লা - সংস্কৃতি সম্পৰ্কে পদ্ধতিগত অধ্যয়নৰ ইতিহাস একবিংশ শতিকাৰ দ্বিতীয় দশকৰ প্ৰথমফালৰ পৰাহে লক্ষ্য কৰা যায়। অৱশ্যে সোনোৱাল কছাৰী জনগোষ্ঠীৰ সংস্কৃতিৰ সামগ্ৰিক অধ্যয়ন পদ্ধতিগতভাবে কৰা হৈছে যদিও সোনোৱাল কছাৰীসকলৰ লোকসাহিত্যৰ অধ্যয়ন বিশেষকৈ নিৰ্দিষ্ট সংখ্যকহে কৰা দেখা যায়। মোহন সোনোৱাল আৰু গুণেশ্বৰ সোনোৱালৰ সম্পাদনাত '**সোনোৱাল কছাৰী সমাজ আৰু সংস্কৃতি** ' বিষয়ক গ্ৰন্থ ২০০১ চনত ৰচনা কৰে। মণিৰাম সোনোৱালৰ (সংগ্ৰা.) ত '**সোনোৱাল কছাৰী লোক গীতি মালিতা**' শীৰ্ষক গ্ৰন্থ ২০১০ চনত প্ৰকাশ পাইছিল। ২০১১ চনত প্ৰমোদ সোনোৱাল (সংগ্ৰা.) '**বাইথ**' সংস্কৃতিৰ হায়দাং দে আৰু হুঁচৰি গীত আৰু সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদৰ উদ্দ্যোগত মোহন সোনোৱালৰ সম্পাদনাত '**সোনোৱাল সৌৰভ**' ২০১২ চনত প্ৰকাশিত হৈছিল। বৰ্তমান সময়ত সোনোৱাল কছাৰীসকলৰ লোকগীতৰ চৰ্চা ব্যক্তিগত আৰু সামূহিকৰূপত দেখা যায়। কিন্তু জামিৰা গাঁৱৰ সোনোৱাল কছাৰীসকলৰ লোকগীত সম্পদ নিৰ্দিষ্টকৈ অধ্যয়ন হোৱা নাই।

**১.০ জামিৰা গাৱঁৰ সোনোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীত:**

শিৱসাগৰ জিলাৰ পানীদিহিং অঞ্চলৰ বাম ৰজাবাৰী জামিৰা গাঁও সোনোৱাল কছাৰী অধ্যুষিত গাঁও।পূবে ৰজাবাৰী গাঁও দেউৰী জনগোষ্ঠী লোকৰ বসতি। পশ্চিমে বৰগাওঁত দেউৰী, চাহ গোষ্ঠীলোকৰ বাসভূমি। উত্তৰে ৰজাবাৰী টাই আহোমলোক আৰু দক্ষিনে কটিয়তি, চোমনী মিচিং,

দেউৰীলোকৰ গাঁও অবস্থিত। অর্থাৎ জামিৰা গাৱঁৰ সোনোৱাল কছাৰীলোকসকলৰ সৈতে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক, অর্থনৈতিক সামাজিক আদান প্রদান ঘটে। গাঁওখনৰ গাঁও প্রধান ফণিন্দ্র কছাৰীৰ মতে প্রায় তিনিশ ঘৰলোক গাঁওখনত বাস কৰে। গাঁওখনক অধিকাংশ লোকেই কৃষিজীবি। যিহেতু জামিৰা গাঁও অসমৰ গ্রামীণ পৰিবেশেত অন্তর্গত। সেয়েহে ই লোক সংস্কৃতি চর্চাৰ কেন্দ্রবিন্দু। গাওঁখনত বিভিন্ন উপলক্ষ্যত আনুষ্ঠানিক লোকগীত আৰু কাহিনী গীতসমূহ প্রচলন হৈ আছে। কিছুমান গীতৰ সৈতে নৃত্য পৰিবেশন কৰা হয়।

১. হায়দাং বা হাইদাং গীত

2. হাইদাং হুচৰি গীত

৩. বিহুগীত আৰু বনগীত

৪. হগ্রা নৃত্যৰ গীত

৫ .ফুলকোৱৰ - মণিকোঁৱৰ গীত

৬. জনাদৈ গাভৰুৰ গীত

৭. খেল ধেমালি গীত

৮. গৰখীয়া গীত

ৰচনা ৰীতিৰ বৈশিষ্ট্য আৰু বিষয়বস্তুৰ বৈচিত্র্য অনুসৰি এই লোকগীতসমূহক কিছুমানক গীত আৰু নাম বুলি উল্লেখ কৰা দেখা যায়। গীতসমূহৰ লগত প্রায়ে বাদ্যযন্ত্র আৰু নৃত্য সংগত কৰা হয়। সেইবিলাক হৈছে –

১. আইনাম

২. লখিমী সবাহত গোৱা নাম

৩. গোঁসাই নাম

৪. অপেশ্বৰী নাম

৫. শিৱ- পাৰ্বতী

৬. ধাই নাম বা নিচুকনি গীত (নাম)

৭. বিয়া নাম

৮. তাঁতীৰ জুনা

৯. কপাহৰ জুনা

**১.১ হায়দাং বা হাইদাং গীত**:- হায়দাং বা হাইদাং গীত হ'ল সেনোৱাল কছাৰী সমাজত প্ৰচলিত লোক সংগীতৰ ভিতৰত শ্ৰেষ্ঠতম গীত । '**বাইথ**' পূজাৰ সময়তহে এই গীতবিলাক গোৱা হয়।

**উদাহৰণ**:-

হা ইয়হ নমো নাৰায়ণ ।

ঐ ঐ পৃথিৱীহেনো সৃজইছে ।

ঐ ঐ আকাশ হেনো সৃজইছে

ঐ ঐ প্ৰকাশ নিমখ হেনো পাতইছে

**১.২ হাইদাং হুঁচৰি গীত**:-

সোনোৱাল কছাৰী সমাজত প্ৰচলিত আন এক উল্লেখনীয় লোক সংগীত হ'ল হাইদাং হুঁচৰি গীত। অৱশ্যে বহুতে ইয়াক কেৱল হুঁচৰি গীত বুলি কোৱা শুনা যায়। জামিৰা গাঁৱতো হাইদাং হুঁচৰি গীত বহাগ বিহুত গোৱা হয়। সোনোৱাল সংস্কৃতিৰ গৱেষক তথা গীতিকাৰ স্বৰ্গীয় ৰজনী হাজৰিকাদেৱে এই হাইদাং হুঁচৰি গীতৰ সম্পৰ্কে এক অতি গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে। "থলুৱা জনগোষ্ঠীৰ সমুহৰ মাজত কেৱল সোনোৱাল কছাৰী সকলৰ মাজতেই বিহু সংস্কৃতিৰ মূল উপাদনস্বৰূপ হুচৰিৰ মৌলিকত্ব পৰম্পৰাক্ৰমে ৰক্ষিত হৈ আছে। সোনোৱালসকলে

M.G.D. College
Sivasagar

নিজকে বলিৰ সন্তান-সন্ততি বুলি বিশ্বাস কৰে। তেওঁলোকে বিশ্বাস কৰে যে তিনিশ

তিনিকুৰি তিনিদিন, বলিৰজা দোমাহী,

বলিৰজা আহে আৰু যায়।'

সোনোৱাল কছাৰী সমাজত হুঁচৰি গোৱাৰ এক লোক পৰম্পৰা আছে। নামঘৰত প্ৰথমে হুঁচৰি উলিয়াই গীত ঘাই ঘৰত প্ৰথম হুঁচৰি গোৱাৰ নিয়ম । সোনোৱাল কছাৰী সকলৰ হুঁচৰি গীতৰ বিষয় বস্তুলৈ লক্ষ্য ৰাখি সমগ্ৰ হুঁচৰি গীতসমুহক কেইবাটাও ভাগত ভাগ কৰা হৈছে। এই ভাগ সমুহ হৈছে - বাৰে মন্ত্ৰ, পোহাৰী গীত, ঠিয় গীত, বৰগীত, আৰু হুঁচৰি সামৰা গীত।

**বাৰে মন্ত্ৰ**:- শুকমণি কৌতাল

বালি-মাটি সুভ্ৰন (সুবৰ্ণ)

মৃত্যুক জয় জয় ----

**পোহাৰী গীতঃ-**

অ' হুৰে হুৰে বাই, জেলেপ কাপোৰ হুৰে

হুৰে হুৰে গীতক ঐ কোনে সৰজাই

মহাদেউ পাৰ্বতী সিও সৰজায় ।

গজাই-মনাই সিও সৰজায় ----

**থিয় গীত:-**

হাঁহ চৰাইনা এ হেই

হাঁহ চৰাইনা এ হেই

ডাঙৰ ডাঙৰ ঐ কোন ডাঙৰ

দেৱৰ ডাঙৰ ঐ খিৰিং ৰজা না ঐ

**হুচৰি সামৰা গীত**

চিলি চিলি চিলি নদয়া ঐ চিলি নদয়া

ডাল ভাঙি ফল খায় হলৌ বান্দৰা ।

গোটি একো চৰাই নেকান্দিলেক কান্দিলেক বগ-

হুঁচৰি গোৱাৰ পিছত বিহু মাৰি ৰং ধেমালি কৰি আৰু গৃহস্থই বিহুৱা ৰাইজৰ পৰা আৰ্শীৰ্বাদ লয় । সোনোৱাল সকলৰ হুঁচৰি গীতসমুহ তেওঁলোকৰ সমাজৰ জীৱন-ধাৰণ প্ৰণালীৰ পৰা সুখ-দুখ আদি সকলো কথা অতি সুন্দৰ আৰু প্ৰণালীবদ্ধ ভাবে সংৰচনা হৈছিল।

গাঁৱৰ সকলোৰে ঘৰত বিহু, হুচৰি মাৰি শেষ হোৱাৰ পিচত সকলোৰে সুবিধা হোৱাকৈ এটা দিন ধাৰ্য কৰি বিহু উৰুৱা হয়।বিহু উৰুৱা হুঁচৰি উৰুৱা গীতসমুহ এনেধৰণৰ---

গীত-নামতি আই নাচনী বাই

বিহুটিক লৈ যাও টকা বজায়

বিহুটি বিহুটি চেনেহৰ বিহুটি

আদৰৰ সাঁচতীয়া ধন ।

**১.৩ বিহুগীত আৰু বনগীত:-**

বিহুগীতসমুহ সোনোৱাল কছাৰীসকলৰ আন এক বৈশিষ্ট্যপূৰ্ণ লোক সংগীত । বিহু, বিয়া, উৎসৱ পাৰ্বন আদি বিভিন্ন কাৰ্যত এই বিহু গীতসমুহ পৰিবেশন আৰু পৰিস্থিতি সাপেক্ষে গোৱা হয়। বিহুগীতসমুহ অন্তৰ্নিহিত হৈ থাকে প্ৰেম, ভালপোৱা, হাঁহি কান্দোন, দুখ-দৈন্য, হৰ্ষ বিষাদ, কৃষি, বাণিজ্য আদিসকলো দিশৰ সমাজৰ চিত্ৰ। হেৰুৱা অতীতৰ দুখময় কাহিনী তলৰ বিহুগীত ফাকিৰ মাজত আমি দেখিবলৈ পোৱা গৈছে ---

চ'তৰ বৰখৰত কছাৰী নামিলে

তৰাকৈ গজালী খাই

হাতীও নেপালে ঘোৰাও নেপালো

আহে শালমৰা বাই।

সোনোৱাল কছাৰী কৃষিমুখী সমাজে বিভিন্ন প্ৰতিকূল বতৰকো নেওচি নানাধৰণৰ খেতি কৰি ঘৰখনৰ প্ৰয়োজনীয়খিনি আহৰণ কৰি লোৱাৰ উপৰি সেই বিষয়বস্তু সমুহক সুন্দৰ উপমা অলংকাৰৰ প্ৰয়োগে অতি আকৰ্ষণীয় আৰু মনোগ্ৰাহী কৰি তুলিছে। তেনে এফাকি বিহুনাম হ'ল –

দিহিং দীঘলীয়া মাটি তাকৰীয়া

বেঙেনা ধপলা পাত,

চুলি তাকৰীয়া ছোৱালী নানিবা

খাবলৈ নোজোৰে ভাত ॥

জীৱ মাত্ৰে আশাধাৰি। এই আশাধাৰ জীৱনৰ হা হতাশ প্ৰকাশ পাইছে তলৰ নামফাকিৰ মাজত--

তোমাক আনিম বুলি বৰঘৰ সাজিলো

চাৰিটা চাপৰিৰ খেৰৰ

পৰুৱা পিপৰা সোমাব নোৱাৰা

দিছিলো ইকৰাৰ বেৰ

এই বিহুগীত বিলাকৰ মাজত ধৰ্ম, দৰ্শন, সামাজিক চেতনাবোধ সকলো দিশে অন্তৰ্ভূক্তি হৈ আছে।

**বনগীত :-**

সোনোৱাল কছাৰী সমাজত এখনি মনোৰম চিত্ৰ আৰু যৌৱনত উদ্দাম প্ৰেমৰ এক নিভাঁজ অন্তৰৰ নিখুত চানেকি পোৱা যায় । এই বনগীতসমূহত-----

আলিটো কাটিলোঁ ছেপাটো পাতিলোঁ
মাগুৰ মাছ এহালী পালোঁ
নিজেও নেখালোঁ আনকো নিদিলোঁ
সৰুজনী খুলশালীক দিলোঁ।

বিহুগীত আৰু বনগীতৰ মাজত বিশেষ চাৰিত্ৰিক বৈশিষ্ট্যৰ পাৰ্থক্য নাই যদিও উত্তলা প্ৰেমৰ স্বাদ বনগীতৰ মাজত অধিক দেখিবলৈ পোৱা যায় -

তোমাৰে বেজাৰত হ' মে লাংকাণীয়া
মূৰতে টিকনি থ' ম।
জুহালৰ কাষতে ফটা বস্তা পাৰি লই
তোমাৰ গুণৰ কথা কম।

নোপোৱাৰ বেদনাত জৰ্জৰিত হৈ প্ৰেয়সীৰ প্ৰতি অতি নিষ্ঠৰ মন্তব্য বনগীতবিলাকৰ মাজত আছে । যেনে–

প্ৰথমে মৰিব তোমাৰ স্বামী গুৰু
তাৰ পাছত মৰিব ল'ৰা;
তাৰ পাছে পাছে
তুমিও মৰিবা
মোৰ আশা নিৰাশা কৰা

Head of the Department
N.L.G.D College
Nitaipukhuri, Sivasagar

### ১.৪ হুগ্ৰা নৃত্যৰ গীতঃ

হুগ্ৰা নৃত্যৰ গীতসমূহ হ'ল সোনোৱাল কছাৰী সমাজৰ জীৱনৰ এক মনোৰম চিকাৰৰ কাহিনী। এই নৃত্য গীতসমূহ এনেধৰণৰ- -

হাতত কাৰফাই ল' হেৰ' দদাই
মাৰ ঐ বালি চৰাই
কাঁড়োৱা ককায়েৰে কাঁৰ খেল খেলিলে
মাৰ ঐ বালি চৰাই।
ৰংদৈ চাপৰিত ৰজাই পহু মাৰে
মাৰ ঐ বালি চৰাই__।

ৰজাই চিকাৰত একো নাপাই শেষত এটি শৰ পহু বধ কৰে। ইয়াৰ চিত্ৰ গীতত বৰ্ণনা আছে-

একো পহু নাকান্দিলে কান্দিলেক শৰ
চিকাৰীয়ে হাতত পৰি কৰে ধৰ-ফৰ।
ৰজাই চিকাৰৰ পৰা ঘুৰি নহাত ৰাণীৰ

কেঁচুৱাক ল'ৰা ভাৰী বা ধাইৰ হাতত দি ৰাণী চাপৰি যায়। ইফালে কেঁচুৱাৰ আমনি ধাত্ৰীয়ে এনেদৰে গাবলৈ ধৰে যে--

চৌ চৌ মিৰি ফচৌ চৌ হাৰৌ
বাপেৰ গৈছি পহু মাৰিব ফচৌ চৌ হালৌ
মাৰ গৈছি মাছ মাৰব ফচৌ চৌ হালৌ
চুকাত আছি মদৰ মেটা তাৰে ওমলাই থৌ।

Head of ... Assamese
... H.C.D. G. College
Nitaipukhuri, Sivasagar

তেতিয়াহে কেঁচুৱাই মান্তি হ'ল। এই কাহিনীকে সোনোৱাল কছাৰীসকলে খ্ৰীং খ্ৰীং বাইথ' পূজাৰ শেষৰ দিনা হগ্ৰা নৃত্যৰ গীত পৰিবেশন কৰে। বহাগ বিহুৰ হুঁচৰি উৰোৱাৰ দিনা এই নৃত্য কিছুমান সোনোৱাল গাঁৱত পৰিবেশন কৰা দেখা যায়। এই গীতবিলাক পৰিবেশন কৰাৰ সময়ত সুন্দৰ সংগীতৰ লয়ৰ সৃষ্টি কৰা দেখা যায়। ছন্দসজ্জাও অতি মনোৰম। কাহিনীৰ বিষয়বস্তুতকৈ নৃত্য পৰিৱেশনৰ সময়ত ভাৱৰীয়াসকলে কৰা কাৰ্য সুন্দৰ অভিনয়ে দৰ্শকক আমোদ দিব পাৰে। (ভাৱৰীয়াসকলৰ সাজপাৰ) হগ্ৰানৃত্যত অংশ গ্ৰহণকাৰী ভাৱৰীয়াসকলে এনেধৰণৰ দুজন চিকাৰী, দুজন খালৈৱা-জাকৈৱা, এটি হৰিণা গাহৰি ভাও ধৰি নৃত্য পৰিৱেশন কৰে।

### ১.৫ ফুলকোঁৱৰ-মণিকোঁৱৰ গীতঃ

সোনোৱালসকলৰ হুঁচৰি গীতত উল্লেখ আছে যে নামচাই বৰকলা নগৰত শংকলদেউ নামে এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰে দুই পুত্ৰ মণিকোঁৱৰ আৰু ফুলকোঁৱৰ। মণিকোঁৱৰ আৰু কাচন কুৱৰীৰ মাজত হোৱা প্ৰেম বিৰহৰ কাহিনী এই গীতৰ মাজত উল্লেখ আছে। সেইদৰে আৰব্য উপান্যাসৰ দৰে ফুলকোঁৱৰৰ কাঠৰ পক্ষীঘোঁৰা; মালিনী বাৰী আদি উপন্যাসোপম বৰ্ণনা গীতবোৰ আন এক বৈশিষ্ট্য বুলি কব পাৰি। বাস্তৱ আৰু সপোনৰ কথা বাৰ্তাও গীতত স্থান পোৱাটো আন এক লক্ষণীয় দিশ।

মন্ত্ৰীৰ জীয়ৰী কাচন কথাও উমান পোৱা যায়। এই শ্ৰেণী গীত কৃষি কাৰ্যৰ লগতো ওতপ্ৰোতঃ ভাবে জড়িত। সোনোৱালসকলৰ জনবিশ্বাসনুসৰি এই ফুলকোৱৰ-মণিকোঁৱৰৰ গীত গালে খৰাং বতৰতো বৰষুণ হয় বুলি ধাৰণা আছে।

Head of ... Assamese
... H.C.D.G. College
Nitai Nagar, Sivasagar

**১.৬ জনাদৈ গাভৰুৰ গীত:**

লোক কাহিনী আৰু বুৰঞ্জী দুয়ো মিশ্ৰিত এক বেলাডধৰ্মী গীত হ'ল জনাদৈ গাভৰুৰ গীত। জনাদৈ আৰু দুতিৰামৰ উদ্দাম প্ৰেমৰ চানেকি এই শ্ৰেণী গীতৰ মাজত লিপিবদ্ধ হৈ আছে। এনেদৰে---

জনাদৈ গাভৰু পাটমাদৈ চৰাইটি
দুতিৰাম থনুৱা দেকা
বঙহৰ নহলি বুকুৰ মঙহ হলি
কেনেকৈ গুচাই যাও চেকা।
হাবিৰে অমৰা দুতিৰাম দমৰা
জনাদৈ চেউৰী গাই
বান্ধিব পাৰো মই ৰাখিব নোৱাৰোঁ
পঘা চিঙি চিঙি যায়।

গীতবিলাকৰ মাজত কছাৰী ৰাজভগন হোৱাৰ পৰা আৰম্ভ কৰি আন কিছুমান জনশ্ৰুতিও ইয়াত সন্নিৱিষ্ট হৈ আছে।

**১.৭ খেল ধেমালিৰ গীত:**

এই শ্ৰেণী গীত লৰা-ছোৱালীবিলাকে খেল খেলোতে গোৱা দেখা যায়। খেলসমূহৰ গীতৰ মাজত শিশু মনস্তত্বৰ নিদৰ্শন পোৱা যায়। গাভৰুসকলে ঘিলা খেলা খেলোতে খেলৰ বিভিন্ন পৰিচয় বিভিন্ন নামেৰে খেলা দেখা যায়। উদাহৰণ স্বৰূপে জামিৰা অঞ্চলৰ ঘিলাখেলৰ গীত হ'ল---

ঘিলা খেলিবৰে লাই ঐ মকুৱা
আজিবা এৰণে নাই;

Head of ... Assamese
... Sonapur

ঘিলাখেল খেলংতে টিকুচি টিকুচি

জিকিলং ৰাঙলী লাই।

একুৰি কুজিকে ডাঙৰ যেন দেখিলা

নানিলা কৰণি মেলাই।

সৰু সৰু ল'ৰাছোৱালীয়ে এজনে সিজনৰ হাতৰ তলুৱা চপৰিয়াই আৰু লগে লগে গীত গায়। গোৱাৰ অন্তত হাতখন আগুৱাই নি কাষলতি কুট-কুটাই দিয়ে। ইয়াক তাই মাই বা ভাকুট কুট খেল বুলিও কোৱা হয়।

গৰখীয়াই হাতত লৈ ফুৰা এছাৰিপাত নিৰ্দিষ্ট গাঠি সম্বলিত হোৱাটো এক লক্ষণীয় দিশ। তেওঁলোকে এই এছাৰি হাতত থাকিলে দেও-ভূত, দেওদেৱতা আদি কোনো ওচৰ চাপি ভয় দেখুৱাব নোৱাৰে বুলি বিশ্বাস।

**১.৮ গৰখীয়া গীত** :

গৰখীয়াসকলে পথাৰত গৰু ৰখি থাকোতে মনলৈ অৱসাদ দূৰ কৰিবৰ বাবে এই গীতবোৰ গায়। গৰখীয়া গীতৰ মাজত অনুৰণিত হোৱা দেখা যায়-

চৰায়ে তুলিলে ছঅঁৰা পোৱালী

গছৰ ডাল শুৱনি কৰি

তোমাকে তুলিলে তোমাৰ মাৰ বাপেৰে

লোকৰ ঘৰ শুৱনি কৰি.......

একে ছন্দ সজ্জা আৰু সাৱলিলতা থাকিলেও সকলো গীতি সাহিত্যকে গীত বুলি কোৱা হোৱা নাই । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৈষ্ণৱাদৰ্শত যিবিলাক গীত-মাত ৰচিত আৰু চৰ্চিত হৈছিল সেইবিলাকৰ 'নাম' নামেৰে জনসমাজত প্ৰচলিত হোৱা দেখা যায়। সেইবিলাকৰ চমু আলোচনা তলত আগবঢ়োৱা হ'ল-

**(ক) আইনাম :**

আইনাম হ'ল এক ভক্তিপূৰ্ণ গীত। বসন্ত অধিষ্ঠতা দেৱী আই নভনীক উদ্দেশ্য কৰি এই আইনাম গোৱা হয়।

আই মোৰ আহে মহামায়া
আই মোৰ দিবলৈ একোটো নাই ।
আই মোৰ মূৰৰ চুলি নমাই
আই মোৰ পাও মলচিমে
আই মোৰ দেহাৰে পাৰি দিম সাঁকো ।

**(খ) লখিমী সবাহৰ নাম :**

কৃষি নিৰ্ভৰশীল সোনোৱাল কছাৰীৰ সমাজে ধন সম্পতিৰ অধিষ্ঠাতা দেবী হিচাপে লখিমীক বৰ উলহ মালহে আদৰা দেখা যায়। লখিমীক আদৰোতে তেওঁলোকে অতি ভক্তি পূৰ্ণভাৱে গীত গাই ভক্তিপুৰ্ণভাৱে লখিমীক ঘৰলৈ আনে। সেই গীত ফাঁকি এনে ধৰণৰ-----

মেঘে ঘি ঘিটনি তালে মৃদঙ্গে
লখিমী আই আনোগৈ বুলি ।
ভকতে গোপিনী দিয়া আশীৰ্বাদ
লখিমী আই আহকে বুলি ।

**(গ) অপেশ্বৰা নাম :**

অপেশ্বৰা নামো মহিলাসকলৰ এক ভক্তিমূলক গীত। কোনো কেঁচুৱাৰ সময়মতে শাৰীৰিক বৃদ্ধি নহ'লে, যথাসময়ত কন্যাকাল আদি নহ'লে, কোনো লোকৰ বেমাৰ-আজাৰ হ'লে এই অপেশ্বৰা সবাহ পতা হয় । গোপিনীসকলে ভক্তিভাবে এই বুলি গায়---

সোণেৰে জখলা ৰূপৰ হেতা মাৰি
আহে অপেশ্বৰা নামি ।
পাণো চিকুণে তামোলো চিকুণে
চিকুণ কলপাতৰ ঠুৰা,
আই অপেশ্বৰী নামিয়ে আহিলে
হাতে সেৱা কৰি যোৱা ।

Sivasagar

**(ঘ) শিৱ-পাৰ্বতীৰ (গীত) নাম :**

শিৱ আৰু পাৰ্বতী মূল উপাস্য দেৱ-দেৱী বাইথ' শিৱ, খ্ৰীং খ্ৰী আৰু হুৰেশ্বৰী আদি নামত এই দুই দেৱ-দেৱীক বিভিন্ন ৰূপত পোৱা যায়। এই দুয়োজনা দেৱ-দেৱীৰ শিৱ আৰু পাৰ্বতীৰ ৰূপত বৰ্ণিত যিবোৰ গীত আছে তাকে শিৱ পাৰ্বতীৰ গীত বুলি কোৱা হয় ।

মাৰৰ ঘৰলৈ যাৱ তই পাগলী
বাটত খাপ দি ধৰিম
বাটত খাপদি ধৰ তই পাগলা
হাবিত ল' ৰে মাৰি সোমাম ।

**(ঙ) নিচুকণি (গীত) ধাইনাম :**

দেশ কাল পাত্ৰভেদে সকলো সমাজত কেচুৱাক নিচুকোৱাবলৈ এইদৰে গীত গোৱা দেখা যায় –

আমাৰে মইনা সৰু ল'ৰা
তত নাখায় ভাত,
বাপেৰ গৈছে কাঁহী আনব
ছয় মাহৰ বাট ।

**(চ) বিয়ানাম :**

বিয়াৰ সময়ত আয়তিসকলে গোৱা নামসমূহক বিয়া নাম বুলি কোৱা হয় । ৰাম, সীতা, ৰাধা, ৰুক্মিনী আদি চৰিত্ৰৰ লগত তুলনা কৰিও এই বিয়া নামবোৰ গোৱা হয়। বিয়া নামবোৰ এনেধৰণৰ –

ধোবাৰ ঘাটৰ পানী আনি
আইদেউৰ মূৰত দিয়ে কি ৰাময় ৰাম
আইদেউৰ মূৰত দিয়ে ।

**২.০ সিদ্ধান্ত:**

১/ জামিৰা গাঁও কৃষিজীৱি লোকৰ বসতি প্ৰধান। সেয়েহে সৰ্বসাধাৰণ লোকসকলে লোক সংস্কৃতিৰ ধাৰক আৰু বাহক হৈ বৰ্তমানেও আছে।

Head ... M.C.D. ... Hojai, Shankardev

২/ চাৰিওফালৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলৰ সৈতে সাংস্কৃতিক দিশত আদান-প্ৰদান ঘটিলেও জামিৰা গাঁওৰ লোকসকলে আনুষ্ঠানিক বা অনানুষ্ঠিক অনুষ্ঠানসমূহ অনুষ্ঠিত বা নিয়মসমূহ মানি চলিবলৈ প্ৰয়াস কৰিছে। তাৰ উদাহৰণ হ'ল জামিৰা গাঁওৰ **'হাইদাং হুচৰি'** ।

৩/সমাজৰ বয়সস্থ লোকসকলে (নাৰী, পুৰুষ) লোকগীত সমূহৰ চৰ্চা অধিক পৰিমানে কৰে যদিও বৰ্তমান সময়ত নতুন চামেও আন্তৰিকতাৰে লোকগীতকে নহয় সোনোৱাল কছাৰী সংস্কৃতি গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এটা নিজৰ শিপালৈ উভটি যোৱাৰ প্ৰয়াস।

৪. জামিৰা গাঁৱৰ লোকসকলে মহাপুৰীষীয়া নীতি-নিয়ম পালন কৰা বাবে সৰগদেউ পূজা অনুষ্ঠিত নকৰে।

৫.সোনোৱাল কছাৰীসকলৰ গুৰুত্বপূৰ্ণ নৃত্য বহুৱা নৃত্য-গীত জামিৰা গাঁৱত প্ৰচলন নাই। হয়তো ভৱিষ্যতে নতুন প্ৰজন্মই এই নৃত্য-গীতৰ নৃত্য-গীতৰ অনুশীলন কৰিব।

৬/জামিৰা গাঁৱৰ হাইদাং হুঁচৰি দলটোৱে অসমৰ বিভিন্ন ঠাইত গীত- নৃত্য পৰিবেশন কৰিছে। অৰ্থাৎ সোনোৱাল -কছাৰীৰ লোক সংস্কৃতি প্ৰসাৰত অৰিহনা আগবঢ়াইছে।

৭/ আধুনিকতাৰ ধামসুমীয়াত পৰিলেও জামিৰা গাঁৱৰ মহিলাসকলে বিয়াঘৰত বিয়া নাম পৰিবেশন কৰে।

৮/জামিৰা গাঁৱৰ সোনোৱাল কছাৰীৰ লোক সংস্কৃতি গৱেষকসকলৰ অধ্যয়নৰ ক্ষেত্ৰ হৈ পৰিছে।

## ৩.০ উপসংহাৰ :

বৰ্তমান যুগটো বিশ্বায়নৰ যুগ । এই বিশ্বায়নৰ যুগত বিভিন্ন সংস্কৃতিৰ মাজত আদান-প্ৰদান আৰু সংমিশ্ৰণ ঘটিছে । পুৰণি সংস্কৃতিৰ কিছুমান উপাদান হেৰাই গৈছে আৰু তাৰ ঠাইত নতুন সাংস্কৃতিক উপাদানৰ প্ৰয়োভৰ ঘটিছে । পৃথিৱীৰ প্ৰত্যেক জনগোষ্ঠীৰ সংস্কৃতিৰ পৰিবৰ্ধন আৰু পৰিবধন ঘটিছে ।

সোনোৱাল কছাৰীসকলৰ সংস্কৃতিৰ ক্ষেত্ৰতো পৰিৱৰ্তন পৰিলক্ষিত হয়। জামিৰা গাঁৱৰ সোনোৱাল কছাৰীসকলৰ মাজত পৰম্পৰাগত ভাৱে যিবোৰ সংস্কৃতিক উপাদান প্ৰচলিত হৈ আহিছিল, সম্প্ৰতি তাৰ কিছুমান নোহোৱা হৈ পৰিছে। পুৰণি গীত-মাতবোৰ সোনোৱাল কছাৰীসকলে পাহৰি গৈছে। আনহাতে পুৰণি ৰীতি-নীতি কিছুমান এৰি নতুন ৰীতি-নীতি গ্ৰহণ কৰিছে। আধুনিক যুগৰ লগত খাপ খুৱাই সোনোৱাল কছাৰী সকলে নতুন ৰীতি-নীতি , নতুন সাজ -পাৰ , নতুন খাদ্য সম্ভাৰ গ্ৰহণ কৰিছে । অৱশ্যে এই পৰিবৰ্তনৰ মাজতো জামিৰাৰ সোনোৱাল কছাৰীসকলে পৰম্পৰাগত সংস্কৃতিৰ ৰক্ষনা- বেক্ষণৰ বাবে চেষ্টা কৰিছে । নতুন প্ৰজন্মই সোনোৱাল কছাৰীসকলৰ পুৰণি গীত-মাত ; হুঁচৰি আদিৰ চৰ্চা কৰিছে । ই গাওঁখন লগতে সোনোৱাল কছাৰী জনগোষ্ঠীৰবাবেই ইতিবাচক দিশ।

Sivasagar

## ৪.০ গ্ৰন্থপঞ্জী


সোনোৱাল, তুলাৰাম : সাহিত্য-সাংস্কৃতি আৰু অন্যান্য প্ৰসংগ, পৰিয়ালৰ সদস্য বৰ্গ তিনিচুকীয়া গাওঁ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১২

কছাৰী, নন্দেশ্বৰ : সোনোৱাল কছাৰী সমাজ সংস্কৃতি আৰু ভাষা পৰিচয়, সোনোৱাল কছাৰী স্বায়ত্ব পৰিষদ জনজাতি গৱেষণা বিভাগ

সোনোৱাল, প্ৰমোদ (সংগ্ৰা.) : বাইথ' সংস্কৃতিৰ হায়দাং দে আৰু হুঁচৰি গীত, প্ৰমোদ সোনোৱাল, ডিব্ৰুগড়, ২০১১

সন্দিকৈ, বলীন : সোনোৱাল কছাৰী জনগোষ্ঠী আৰু ভাষা, প্ৰকাশক: ৰামধেনু প্ৰিন্টিং , ডিব্ৰুগড় , ১ম প্ৰকাশ, ২০২৩

সোনোৱাল, মণিৰাম (সংগ্ৰা.) : সোনোৱাল কছাৰী লোকগীতি মালিতা, সোনোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, ডিব্ৰুগড়, ২০১০

সোনোৱাল, মোহন, (সম্পা.) : সোনোৱাল কছাৰী
সোনোৱাল, গুণেশ্বৰ সমাজ আৰু সংস্কৃতি, সোনোৱাল কছাৰী সাহিত্য প্ৰকাশন পৰিষদ, ডিব্ৰুগড়, প্ৰথম সংস্কৰণ, ২০০১

# পৰিশিষ্ট -১

**সোনোৱাল কছাৰীসকলৰ লোকভাষাৰ নমুনা:**

**ক. লোকশব্দ**

| লোকশব্দ | মান্য অসমীয়া |
|---|---|
| খালং | খালো |
| গিদিং গাদাং | ইফালে সিফালে |
| তিপৰ্কে | পতকে |
| দিলং | দিলো |
| পালং | পাঁলো |
| যাবে | যাবি |

**(খ) বাক্য:**

| লোকবাক্য | মান্য অসমীয়া |
|---|---|
| তোক ৰাতিপুৱাই যাব দিছ্‌ল | তোক ৰাতিপুৱাই যাবলৈ দিছিল। |
| ভাত কিহে খালে? | ভাত কিহেৰে খালা? |
| মাছ মাব যাবেনা ? | মাছ মাৰিব যাবি নে ? |

# পৰিশিষ্ট-২

## সমলদাতাৰ নাম তালিকা :

| সমলদাতাৰ নাম | বয়স | ঠিকনা |
|---|---|---|
| জয়ন্ত হাজৰীকা | ৬০ | জামিৰা |
| ভৱেশ কছাৰী | ৭০ | জামিৰা |
| প্ৰণৱ কছাৰী | ৬৫ | জামিৰা |
| দুপণী কছাৰী | ৪৫ | জামিৰা |
| উষা ডেকাবৰুৱা | ৫০ | জামিৰা |
| বলেন ডেকাবৰুৱা | ৫২ | জামিৰা |
| ফনিন্দ্ৰ কছাৰী | ৬০ | জামিৰা |

আলোকচিত্ৰ:

# পৰিশীষ্ট-৩



জামিৰা গাঁৱৰ পৰম্পৰাগত সাজ-পাৰত সোনোৱাল কছাৰী লেছেৰী দল



জামিৰা গাঁৱৰ সোনোৱাল কছাৰীসকলৰ পৰম্পৰাগত হুঁচৰি পৰিৱেশনৰ দৃশ্য




ক্ষেত্ৰ অধ্যয়নৰ দৃশ্য